# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সভাই আজি দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো অধিক উন্নত কৰি তোলাৰ লক্ষ্যৰে সংসদত **এখন দেশ এখন নিৰ্বাচন** সম্পৰ্কীয় বিধেয়ক উত্থাপনত অনুমোদন জনাইছে। সংসদৰ চলিত শীতকালীন অধিবেশনতে এই বিধেয়কখন উত্থাপন হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বিধেয়কখন আইন হিচাপে গৃহীত হ'লে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুসংগত হোৱাৰ লগতে প্ৰক্ৰিয়াটো ক্ষিপ্ৰতা বৃদ্ধি পাব। তদুপৰি কেইবাটাও নিৰ্বাচন ভিন ভিন সময়ত অনুষ্ঠিত কৰাৰ ফলত সৃষ্টি হোৱা বিত্তীয় আৰু প্ৰশাসনীয় চাপ হ্ৰাস পাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে লোকসভা আৰু ৰাজ্যৰ বিধানসভা নিৰ্বাচন একেলগে অনুষ্ঠিত কৰি ভোটদাতাসকলক দুয়োটা নিৰ্বাচনৰ বাবে একে সময়তে ভোটদান কৰাৰ সুবিধা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজন দীঘলীয়া সময় হ্ৰাস কৰাৰ লগতে এই প্ৰক্ৰিয়া চলি থকাৰ সময়ত প্ৰশাসন ব্যৱস্থা পৰিচালনাত হোৱা ব্যাঘাত দূৰ কৰিব পৰা যাব বুলিও আশা কৰা হৈছে। ইয়াৰ আগেয়ে কেন্দ্ৰীয় মন্ত্ৰী সভাই যোৱা ছেপ্তেম্বৰ মাহত এখন দেশ এটা নিৰ্বাচন বিধেয়কৰ বাবে প্ৰস্তাৱ গৃহীত কৰিছিল।

বিৰোধী দলসমূহে চৰকাৰৰ এই সিদ্ধান্তক সমালোচনা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কংগ্ৰেছ দলৰ নেতা তাৰিক আনোৱাৰে বিষয়টো সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত এনেধৰণৰ নিৰ্বাচনী প্ৰক্ৰিয়া ৰূপায়ণ কৰাটো সম্ভৱপৰ নহয়। বিৰোধী পক্ষই বিষয়টোত আস্থা প্ৰকাশ কৰা নাই বুলি উল্লেখ কৰি তেওঁ কয়, যে এনেধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ পূৰ্বে সকলো পক্ষৰ মতামত গ্ৰহণ কৰা প্ৰয়োজন।

ooooo

শিৱসাগৰ জিলাৰ নদীকাষৰীয়া অঞ্চলসমূহত বৃহৎ পৰিমাণত উৎপাদিত ৰঙা লাউ আৰু কাজি নেমু আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ অধীনত আজি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ ডুবাইলৈ এহেজাৰ ৫০০ কিলোগ্ৰাম ৰঙা লাউ আৰু এহেজাৰ কিলোগ্ৰাম কাজি নেমু প্ৰেৰণ কৰা হয়। শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলাখনৰ দিখৌমুখ, দিচাংমুখ, নিতাইপুখুৰী আদি অঞ্চলত উৎপাদিত এই সামগ্ৰী কঢ়িওৱা বাহনৰ আজি ফ্লেগ অফ কৰে। শিৱসাগৰ জিলা প্ৰশাসনে কাইগা এক্জিম্‌স নামৰ গুৱাহাটীৰ এটা প্ৰতিষ্ঠানৰ সহযোগত কৃষকসকলৰ পৰা এই কৃষিজাত সামগ্ৰীসমূহ ক্ৰয় কৰি বিদেশলৈ প্ৰেৰণ কৰিছে। শাক-পাচলিৰ প্ৰথমটো গোট প্ৰেৰণ কৰি মন্ত্ৰী ডাঃ পেগুৱে নদীকাষৰীয়া অঞ্চলসমূহৰ কৃষকসকলৰ অসুবিধাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

ooooo

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰত আজি পৰম্পৰা আৰু আধ্যাত্মিকতা বজাই ৰাখি নৱান্ন উৎসৱ অনুষ্ঠিত হৈছে। সত্ৰৰ প্ৰতিষ্ঠাকালৰে পৰা আঘোণ মাহৰ এটা বিশেষ দিনত নতুন ধানৰ চাউলেৰে শ্ৰাদ্ধ কৰি মহাপ্ৰভুক ভোগ অৰ্পণ কৰা হয়। এই উৎসৱ সৈতে সংগতি ৰাখি গায়ন-বায়ন, নতুৱা নৃত্য আদি পৰিৱেশন কৰা হয়। ইয়াৰ পাছতহে সত্ৰাধিকাৰ আৰু ভকত বৈষ্ণৱসকলে অন্ন গ্ৰহণ কৰে। এই উৎসৱ সন্দৰ্ভত সত্ৰখনৰ সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামীয়ে এইদৰে কয়-

**বাইট (ননীগোপাল দেৱ গোস্বামী)**

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ২৬ ডিচেম্বৰলৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ৰূপায়ণ কৰা হৈছে। গোলাঘাট জিলাত কুষ্ঠৰোগ চিনাক্তকৰণৰ বাবে ৮৭০টা স্বাস্থ্য কৰ্মীৰ গোট নিয়োগ কৰা হৈছে। এই গোটসমূহত এগৰাকী আশাকৰ্মী আৰু এজন পুৰুষ স্বাস্থ্য কৰ্মী থাকিব। গোটৰ সদস্যসকলে জিলাখনৰ প্ৰতি ঘৰে ঘৰে গৈ কুষ্ঠৰোগৰ লক্ষণ চিনাক্ত কৰাৰ লগতে এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস চলাব। যিকোনো লোকৰ দেহত কুষ্ঠৰোগৰ লক্ষণ ধৰা পৰিলে তেওঁলোকক যাৱতীয় চিকিৎসাৰ বাবে নিকটতম স্বাস্থ্য কেন্দ্ৰ অথবা জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। স্বাস্থ্য কৰ্মীৰ গোটসমূহৰ তত্বাৱধানৰ বাবে ১৭৪ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে গোলাঘাট জিলাত এই বছৰ ৩৫ জন কুষ্ঠৰোগী চিনাক্ত কৰা হৈছিল।

মাজুলী জিলা স্বাস্থ্য বিভাগৰ কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো আজি পটীয়া চুমৈমাৰী আয়ুষ্মান আৰোগ্য মন্দিৰত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ অধ্যক্ষতাত কুষ্ঠৰোগ চিনাক্তকৰণৰ শুভাৰম্ভ কৰা হয়।

বিশ্বনাথ জিলাতো আজিৰে পৰা জিলা স্বাস্থ্য বিভাগ আৰু বিশ্বনাথ শাখা স্বাস্থ্য অভিযানৰ অধীনত এই অভিযান ৰূপায়ণ কৰা হৈছে।

০০০০০

যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথছোৱা পুনৰ নিৰ্মাণৰ কাম অহা বছৰৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হ'ব বুলি আজি লোকসভাত কেন্দ্ৰীয়  কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই পথছোৱা দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ অনুপযোগী হৈ পৰাৰ পৰিপ্ৰেক্ষিতত বিভিন দল-সংগঠনকে ধৰি ব্যক্তি বিশেষে ওজৰ-আপত্তি দাখিল কৰি আহিছিল।

০০০০০

সমাপ্ত